অধ্যায় ১২ ঃ শংকৰী যুগৰ অবৈষ্ণৱ সাহিত্য

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য
১২.২ পৰিচয়
১২.৩ পাঁচালী সাহিত্য
১২.৩.১ পীতাম্বৰ কবি
১২.৩.২ দুর্গাবৰ
১২.৩.৩ মনকৰ
১২.৩.৪ সুকবি নাৰায়ণদেৱ
১২.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১২.৫ অধিক জানিবলৈ
১২.৬ অগ্রগতিৰ খতিয়ান
১২.৭ আৰ্হি প্ৰশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমীয়া পাঁচালী সাহিত্য সম্পৰ্কে অৱগত হ'ব
- অসমীয়া 'পাঁচালী কবি'সকলৰ পৰিচয় লাভ কৰাৰ লগতে তেওঁলোকৰ সাহিত্যকৃতিৰ সম্যক ধাৰণা লাভ কৰিব।

১২.২ পৰিচয়

ইতিমধ্যে আমি উল্লেখ কৰি আহিছোঁ যে শংকৰদেৱক কেন্দ্ৰ কৰিয়েই তেওঁৰ সমসাময়িক সময়ছোৱাত যি সাহিত্যৰাজিৰ সৃষ্টি হৈছিল সেই যুগটোকে 'শংকৰী যুগ' বুলি কোৱা হয়। শংকৰী যুগ অসমীয়া সাহিত্যৰ 'স্বৰ্ণযুগ'। ইয়াৰ আগৰ অধ্যায়টোত আমি শংকৰী যুগৰ বিষয়ে সম্যক ধাৰণা লাভ কৰিলোঁ। সেই অধ্যায়টোতে অৱগত হ'লোঁ যে তদানীন্তন সময়ছোৱাত দুই ধৰণৰ সাহিত্য সৃষ্টি হৈছিল — বৈষ্ণৱ সাহিত্য আৰু অবৈষ্ণৱ সাহিত্য। ইয়াৰ আগৰ অধ্যায় দুটাত আপুনি বৈষ্ণৱ সাহিত্য সম্পৰ্কে বহলাই অধ্যয়ন কৰিলে।

এই যুগতেই শংকৰদেৱৰ ছত্ৰছায়াৰ বাহিৰত কিছু সংখ্যক কবি কাব্য ৰচনাত ব্ৰতী হৈছিল। তেওঁলোকে পিছে বৈষ্ণৱ ধৰ্মৰ পৰিৱৰ্তে শক্তি পূজাতহে বিশ্বাসী আছিল। তেওঁলোকে ৰচনা কৰা সাহিত্যৰাজিক 'পাঁচালী সাহিত্য' বুলি নামকৰণ কৰা হয়। এই অধ্যায়টিত পাঁচালী সাহিত্য

মানে কি সেই বিষয়ে অধ্যয়ন কৰিব। তদুপৰি পাঁচালী কবিসকলৰ বিষয়ে সম্যক ধাৰণা লাভ কৰাৰ লগতে তেওঁলোকে ৰচনা কৰা সাহিত্যৰাজিৰ বিষয়েও কিছু কথা অৱগত হ'ব। অধ্যায়টোৰ অধ্যয়নে আপোনাক শংকৰী যুগৰ অবৈষ্ণৱ সাহিত্যৰাজিৰ বিষয়ে ধাৰণা প্ৰদান কৰিব।

১২.৩ পাঁচালী সাহিত্য

শংকৰদেৱৰ সমসাময়িকভাৱে আত্মপ্ৰকাশ কৰা কেইবাজনো সাহিত্যিকে তেওঁলোকৰ ৰচনাৰাজিৰ মাজেদি বেলেগ এটা ভাবধাৰা অসমীয়া সাহিত্যলৈ সুমুৱাই আনিছিল। বিশেষকৈ তেওঁলোকৰ সাহিত্যৰাজিৰ বিষয়বস্তু, ৰচনাশৈলী, ৰূপ, গঠন আৰু আদৰ্শগত পাৰ্থক্য আছিল বৈষ্ণৱ সাহিত্যৰ লগত। সেই সাহিত্যৰাজিকে শংকৰী যুগৰ অবৈষ্ণৱ সাহিত্য বা পাঁচালী বা পাঞ্চালী সাহিত্য বুলি অভিহিত কৰা হৈছে। এই সাহিত্যৰাজিত লৌকিকতাৰ প্ৰাধান্য বেছি, ওজাপালিৰ উদ্দেশ্যে ৰচিত আৰু বৈষ্ণৱ কবিৰ দৰে ভক্তিৰ প্ৰতি এঢলীয়া টান দেখা পোৱা নাযায়। ভাষা কথিত ভাষাৰ বেছি ওচৰ চপা, চৰিত্ৰবোৰ লৌকিক মানুহৰ দৰে মানৱীয় দুখ-সুখ, আৱেগ-অনুভূতি, দুৰ্বলতা আদিৰে সিক্ত। দুৰ্গাবৰ, পীতাম্বৰ, মনকৰ আৰু সুকবি নাৰায়ণদেৱ হ'ল এই ভাগটিৰ মূল কবি। প্ৰসংগক্ৰমে উল্লেখযোগ্য যে এইকেইগৰাকী কবিৰ উপৰি ষষ্ঠীবৰ নামৰ আৰু এগৰাকী পাঁচালী কবিৰ কথাও দুই-এজন সাহিত্যৰ ইতিহাসকাৰে উল্লেখ কৰিছে। কিন্তু এতিয়াও তেওঁৰ সাহিত্যৰাজিৰ বিষয়ে বহলাই আলোচনা হোৱা নাই। সেয়ে এই পাঠ্যবিষয়ত তেওঁৰ বিষয়ে উল্লেখ কৰা নহ'ল।

পাঁচালী মানে কি এই সম্পৰ্কে বিভিন্ন পণ্ডিতৰ মাজত মতবিৰোধ আছে। পাঁচালী বা পাঞ্চালী শব্দটোৰ সৃষ্টি সম্পৰ্কে তেওঁলোকে ভিন্ন মত পোষণ কৰিছে। তাৰে কেইটামান হ'ল—

- সংস্কৃত 'পাঞ্চালিকা' শব্দৰ পৰা পাঁচালী বা পাঞ্চালী শব্দটো সৃষ্টি হৈছে। পাঞ্চালিকা মানে পুতলা আৰু পুতলা নাচযুক্ত গীতেই হ'ল পাঁচালী। পূৰ্বতে পুতলা নাচৰ সৈতে নৃত্য-গীত-অভিনয় কৰাকে পাঞ্চালিকা বিহাৰ বুলি কোৱা হৈছিল। পৰৱৰ্তীকালত পুৰণি গুজৰাট, ৰাজস্থানকে ধৰি বংগ-অসমত ই প্ৰাচীন আখ্যায়িকাৰ সৈতে যুক্ত হয়। লোকসমাজত এইবিধ পৰিৱেশ্য কলাৰ সমাদৰ আজিও বিৰাজমান। *কালিকা পুৰাণ*ত চণ্ডিকাক উপাসনা কৰাৰ প্ৰসংগত পূষ্যা নক্ষত্ৰযুক্তা তৃতীয়া তিথিত পাঞ্চালিকা বিহাৰ আৰু শিশু কৌতুক কৰাৰ বিধান আছে। মহেশ্বৰ নেওগে 'পাঞ্চালিকা বিহাৰ' শব্দটোৱে পুতলা নাচ অথবা 'পাঁচালী গীত'ৰ আবৃত্তিকে ইংগিত কৰে বুলি মন্তব্য কৰিছে।
- নাট্যশাস্ত্ৰতো বিভিন্ন নাট্য প্ৰবৃত্তিৰ আলোচনাৰ প্ৰসংগত পাঞ্চালী প্ৰবৃত্তিৰ নাম উল্লেখ কৰি নৃত্য-গীত আৰু খোজৰ আধিক্য থকাৰ কথা উনুকিওৱা হৈছে।
- *দশৰথি ও তাহাৰ পাঞ্চালী* নামৰ কিতাপখনৰ ভূমিকাত হৰিপদ চক্ৰৱৰ্তীয়ে মন্তব্য কৰিছে যে পাঞ্চাল বা কনৌজ দেশত প্ৰচলিত নৃত্য-গীত বিশিষ্ট যি গীত শৈলীয়ে বঙ্গদেশলৈ আহি প্ৰতিপত্তি লাভ কৰে সেয়াই পাঁচালী।

- এসময়ত কোনো পুৰা কথা আবৃত্তি কৰাৰ প্ৰসংগত দৃশ্য-শ্ৰব্য উভয় দিশৰ দাবী পূৰণ কৰাৰ স্বাৰ্থতে পুতলা নাচৰ দৰে অনুষ্ঠেয় কলাৰ সংযোগ ঘটে। এই নব্য ৰূপ প্ৰদান কৰিবলৈ চেষ্টা কৰাৰ ফলতেই ই 'পুতলা নাচ'ৰ পৰা 'পাঞ্চালিকা বিহাৰ'লৈ ৰূপান্তৰিত হয়। কালক্ৰমত ইয়াৰ লগত জড়িত অৰ্থাৎ পাঞ্চালিকা বিহাৰৰ লগত জড়িত পুৰা কথাই পাঞ্চালী বা পাঁচালী গীত ৰূপে কল্প সলায়। এনে পৰম্পৰাৰে সুযোগ্য বাহক আৰু ধাৰক হিচাপে অসমৰ 'ওজাপালি' অনুষ্ঠানক নবীনচন্দ্ৰ শৰ্মাই চিহ্নিত কৰিছে। তেওঁ মন্তব্য কৰিছে যে মনসা পূজাৰ লগত জড়িত ওজাপালি অনুষ্ঠানত কাহিনীৰ বিষয়বস্তুৰ লগত সংগতি ৰাখি নৃত্য আৰু অভিনয় প্ৰদৰ্শন কৰা হয় আৰু ইয়ে পাঞ্চালী বা পাঁচালী পৰম্পৰা ৰূপে পৰিগণিত হয়। এইফালৰ পৰা চাবলৈ গ'লে দেৱ-দেৱীৰ মহিমা প্ৰকাশক প্ৰাচীন কাহিনী বা পুৰা কথাই পাঞ্চালী বা পাঁচালী গীত ৰূপে আত্মপ্ৰকাশ কৰে বুলি ক'ব পাৰি।
- কোনো কোনো পণ্ডিতৰ মতে পঞ্চ অংগযুক্ত সংগীত শৈলীয়েই পাঞ্চালী বা পাঁচালী। সংগীতৰ পঞ্চ অংগ হ'ল— গান, সাজপাৰ, গীতৰ দ্বৈত অনুশীলন, গীত ৰচনা-ৰীতি আৰু নৃত্য। ওজাপালি অনুষ্ঠানতো এই পাঁচটা অংগ বিৰাজমান। আনহাতে ওজাপালি অনুষ্ঠানত পাঁচজন গায়ক-বাদক থাকে বাবেও পাঞ্চালী বা পাঁচালী হ'ব পাৰে বুলি বহুতে মত আগবঢ়ায়। তদুপৰি ওজাপালিৰ গীতত দিহা বা ধুৰা, ৰাগ, পদ, বানা আৰু ভণিতা— এই পাঁচ অংগ থাকে বাবেও পাঞ্চালী বা পাঁচালী বুলি কোৱা হয় বুলিও এচামে মন্তব্য কৰে।
- গৌড়ীয় বৈষ্ণৱ সংগীত-শাস্ত্ৰকাৰ নৰহৰি চক্ৰৱৰ্তীয়ে অতি বিস্তীৰ্ণ ধ্ৰুবাপদ বা ধ্ৰুবাৰহিত পদযুক্ত গানক পাঁচালী বুলি অভিহিত কৰিছে।
- কোনো কোনো পণ্ডিতৰ মতে পাঁচালী হ'ল একধৰণৰ গীত বা সুৰ। এই সুৰত গোৱা গীতেই পাঁচালী। আনহাতে পয়াৰ ছন্দকো বহুতে পাঁচালী বুলি ক'ব খোজে, অৱশ্যে এয়া আধুনিক স্বৰাবৃত্ত পয়াৰ নহয়।
- সত্যেন্দ্ৰনাথ শৰ্মাই "পাঁচালী কাব্যত সম্ভৱতঃ প্ৰথম স্তৱত গীতৰ মাধ্যমেদিয়েই ওজাই কাহিনী ৰূপায়ণ কৰিছিল আৰু তাকে কৰোঁতে বহু সময়ত ব্যাখ্যা প্ৰসঙ্গত কথা বহলাই বৰ্ণনা কৰিব লগা হৈছিল। গীতবোৰৰ মাজত থকা সুৰুঙাখিনি পূৰাবৰ কাৰণে ওজাই বৰ্ণনাত্মক পদ সংযোগ কৰি যোৱা ৰীতি, ক্ৰমে প্ৰৱৰ্তন কৰে। ফলত প্ৰত্যেক গীতৰ পাছত কিছু বৰ্ণনাত্মক পদ অন্তৰ্ভুক্ত কৰি পাঁচালী কাব্য ৰীতিত এইদৰেই প্ৰবৰ্তন কৰে" বুলি মত আগবঢ়াইছে।

এই মন্তব্যসমূহ বিশ্লেষণ কৰিলে এটা কথা স্পষ্ট ৰূপে ফুটি উঠে যে পাঁচালী বা পাঞ্চালী এক প্ৰকাৰৰ সাংগীতিক শৈলী। অসমীয়া পাঁচালী কবিসকলে তেওঁলোকৰ ৰচনাত এয়া যে এক ধৰণৰ সাংগীতিক শৈলী সেয়া উল্লেখ কৰি গৈছে। উদাহৰণস্বৰূপে নাৰায়ণদেৱে কৈছে যে — "সুকবি নাৰায়ণ দেৱৰ সৰল পাঞ্চালী।/পয়াৰ প্ৰবন্ধে বুলি একয় লাচাৰি।।"

পাঁচালী সাহিত্যৰাজি পোন প্ৰথমতে জনসাধাৰণৰ মুখে মুখে প্ৰচলিত হৈ আছিল যদিও তেওঁলোকৰ ৰচনাৰ উল্লেখৰ পৰা অনুমান কৰা হয় যে খ্ৰীঃ ১৫শ-১৬শ শতিকাত এই পাঁচালী সংগীত পৰম্পৰাই লিখিত ৰূপ লাভ কৰে আৰু পাঁচালী সাহিত্যৰূপে চিহ্নিত হয়। অৱশ্যে

বৈষ্ণৱ কবিসকলে এই শ্রেণীৰ সাহিত্যক বৰ ভাল দৃষ্টিৰে চোৱা নাছিল। উদাহৰণস্বৰূপে ১৫৪৬ খ্রীঃমানত মহাপুৰুষ শংকৰদেৱে বৰপেটা অঞ্চলত থাকিবলৈ লোৱা সময়তে নতুনকৈ শৰণ লোৱা নাৰায়ণ ঠাকুৰক সেই অঞ্চলৰ উল্লেখযোগ্য ব্যক্তিসকলৰ নাম সোধে। ইয়াৰ প্রসংগতে নাৰায়ণ ঠাকুৰে পীতাম্বৰ কবিৰ কথা ব্যক্ত কৰি তেওঁ যে দশমস্কন্ধৰ পদ অসমীয়ালৈ ভাঙিছে সেই কথা প্রকাশ কৰে। শংকৰদেৱে তাৰ পদ মাতিবলৈ কোৱাত নাৰায়ণ ঠাকুৰে শুনালে—

বিলাপ কৰি কান্দে দেৱী ৰুক্মিণী।
কোন অংগে খুন দেখি নাইলা যদুমণি।।

এনে বর্ণনা শুনি শংকৰদেৱে তেওঁ 'তামসিক কবি' বুলি তিৰস্কাৰ কৰে। তথাপি ইয়াৰ প্রভাৰ বৈষ্ণৱ সত্রসমূহত যে পৰিছিল সেই কথাৰ উমান পাব পাৰি। বিশেষকৈ আউনীআটী সত্রত প্রচলিত 'পাঞ্চালী ওজাপালি' বা 'পাঞ্চালী গায়ন-বায়ন' ইয়াৰ এক প্রকৃষ্ট নিদর্শন।

বিষয়বস্তুৰ আধাৰত অসমীয়া পাঁচালী সাহিত্যক নবীন চন্দ্র শর্মাই তিনিটা শ্রেণীত বিভাজন কৰিছে। সেইকেইটা হ'ল—

- মহাকাব্যীয় পাঁচালী
- মনসা বা বিষহৰী বিষয়ক পাঁচালী আৰু
- বিবিধ বিষয়ক পাঁচালী

যিবোৰ পাঁচালী সাহিত্যৰ আধাৰ গ্রন্থ মহাভাৰত, ৰামায়ণ বা এনে পুৰাণ— তেনে পাঁচালীসমূহক মহাকাব্যীয় পাঁচালী বুলি আখ্যা দিয়া হয়। উদাহৰণ— পীতাম্বৰ দ্বিজৰ *ঊষা পৰিণয়*, দুর্গাবৰৰ *গীতি ৰামায়ণ* ইত্যাদি। বিষ্ণু বা কৃষ্ণ কথা-বৃত্তৰ লগত জড়িত গীত-পদ আদিক কলাত্মক ৰূপ প্রদান কৰাই হ'ল মহাকাব্যীয় পাঁচালীৰ মূল উদ্দেশ্য। অৱশ্যে শাক্ত ভাবাপন্ন গীতপদ কোনো কোনো প্রসংগত আবৃত্তি কৰাৰ প্রৱণতাও এই শ্রেণীৰ ওজাপালিত দেখা যায়। কিন্তু এইবোৰ অর্বাচীন বুলি নবীন চন্দ্র শর্মাই মন্তব্য কৰিছে।

মনসা দেৱীৰ গুণানুকীর্তন কৰা পাঁচালী সাহিত্যৰাজিকে মনসা বা বিষহৰী বিষয়ক পাঁচালী সাহিত্য বোলা হয়। মনকৰ তথা দুর্গাবৰৰ *মনসা কাব্য*, সুকবি নাৰায়ণদেৱৰ *পদ্মাপুৰাণ* আৰু ষষ্ঠীবৰৰ *মনসা পুৰাণ* এই শ্রেণীৰ পাঁচালী সাহিত্যৰ উদাহৰণ। মনসা শাখাৰ পাঁচালী গীতত সর্পৰ অধিষ্ঠাত্রী দেৱী মনসাক অর্চনা কৰা হয়। মনসাৰ বিশেষণ আৰু শক্তিলৈ লক্ষ্য ৰাখি এওঁৰ অভিব্যক্তিত আর্য-অনার্য, বৈদিক-অবৈদিক, হিন্দু-বৌদ্ধ-জৈন আদি ধর্মীয় পৰম্পৰাৰ সংস্কৃতি আৰু বিশ্বাসৰ সংমিশ্রণ ঘটিছে বুলি ভাবিবৰ থল আছে। উল্লেখযোগ্য যে *ব্রহ্মবৈৱর্ত* পুৰাণৰ বাদে আন সংস্কৃত পুৰাণসমূহত মনসাৰ মাহাত্ম্য বর্ণনা কৰা দেখা নাযায়। অসমতো মনসা পূজা কেতিয়াৰ পৰা প্রচলন আছিল কোৱা টান। খ্রীষ্টীয় একাদশ শতিকামানত হাতীৰ ওপৰত অধিষ্ঠিত 'নাগেন্দ্র বাহিনী মনসা'ৰ মূর্তি নুমলীগড় অঞ্চলত উদ্ধাৰ হৈছে। ইয়াৰ পৰাই অনুমান কৰিব পাৰি যে অতি প্রাচীনকালৰ পৰাই অসমত মনসা পূজাৰ প্রচলন আছিল। অৱশ্যে খ্রীষ্টীয় ত্রয়োদশ শতিকামানৰ পৰাই ব্রাহ্মণ্য ধর্মপূজাৰ পদ্ধতিত মনসাদেৱীৰ পূজাৰ প্রচলন হয়। ইয়াৰ অনুষংগতে মনসাৰ মাহাত্ম্যজ্ঞাপক গীত-পদ (পোঞৰ পাঁচালী) ওজাপালিয়ে পৰিৱেশন কৰে। ইয়াৰ লগতে

দেওধনী উঠাৰ পৰম্পৰা এটিও গা কৰি উঠে। উল্লেখযোগ্য যে মনসা পূজা উপলক্ষে গোৱা পাঁচালী গীত-পদক দুটা ভাগত ভাগ কৰিব পাৰি। যথা মনসা বা পদ্মাৰ জন্ম বৃত্তান্ত আৰু বেউলা আখ্যান।

এই দুয়োটা শ্ৰেণীবিভাজনৰ পৰিধিয়ে সামৰিব নোৱাৰা পাঁচালী সাহিত্যৰাজিকে বিবিধ বিষয়ক পাঁচালী বুলি নবীন চন্দ্ৰ শৰ্মাই চিহ্নিত কৰিছে। এই শ্ৰেণীৰ পাঁচালীৰ বিষয়বস্তু বিবিধ উৎসৰ পৰা সংগৃহীত। বিশ্বেশ্বৰ দ্বিজৰ নামত প্ৰচলিত *শ্ৰীশ্ৰী সত্য নাৰায়ণ পাঁচালী*, জয়ৰাম দাসৰ *শ্ৰীশ্ৰী শীতলা পাঁচালী*, অজ্ঞাত কবিৰ *শ্ৰীশ্ৰী লক্ষ্মীচৰিত পাঁচালী, শ্ৰীশ্ৰী শনিদেৱৰ পাঁচালী, ত্ৰিনাথ পাঁচালী* আৰু দীন দ্বিজবৰৰ *মাধৱ সুলোচনা* আদি এই শ্ৰেণীৰ অন্তৰ্গত। দীন দ্বিজবৰৰ কাব্যখনত পাঁচালী নামটো যুক্ত হৈ থকা নাই যদিও কবিজনাই নিজেই উল্লেখ কৰিছে—

মালিনী কহিলা মাধৱৰ ৰূপ গুণ।
দ্বিজবৰে ৰচিলা পাঞ্চালী সবে শুন।।

ইয়াৰ পৰাই এই কাব্যখনো যে পাঁচালী সংগীতৰ শৈলীতে ৰচনা কৰা হৈছিল সেই বিষয়ে ধাৰণা কৰিব পাৰি।



জানি থোৱা ভাল

পাঁচালী সংগীতৰাজিত ৰাগ-সংগীতৰ প্ৰয়োগ মন কৰিবলগীয়া। পাঁচালী কবিসকলৰ কাব্যত গীতসমূহৰ নিৰ্দিষ্ট ৰাগ বান্ধি দিয়া হৈছে। এইবোৰে অসমত পূৰ্বৰে পৰা প্ৰচলন থকা মাৰ্গীয় সংগীতৰ এক বলিষ্ঠ ধাৰাৰ কথা প্ৰতিপন্ন কৰে। এতিয়াও ওজা পৰম্পৰাৰ মাজেদি কিছু পৰিমাণে হ'লেও মূলানুগত হৈ এই ৰাগ-সংগীতৰ পৰম্পৰা অসমৰ বিভিন্ন ঠাইত প্ৰচলন হৈ আছে।

উপৰ্যুক্ত আলোচনাত আমি পাঁচালী সাহিত্য মানে কি, পাঁচালী সাহিত্যৰ পটভূমি আৰু অসমীয়া পাঁচালী সাহিত্যৰ শ্ৰেণীবিভাজন সম্পৰ্কে সম্যক ধাৰণা লাভ কৰিলোঁ। তলত আমি পাঁচালী কবিকেইজনৰ পৰিচয় আৰু তেওঁলোকৰ কাব্যকৃতি সম্পৰ্কে অধ্যয়ন কৰিম। মনসা বা পাঁচালী সাহিত্যৰ মূল কবি চাৰিগৰাকী— পীতাম্বৰ, দুৰ্গাবৰ, মনকৰ আৰু সুকবি নাৰায়ণদেৱ।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ পাঁচালী বা পাঞ্চালী সাহিত্য বুলিলে কি বুজে?

.....

.....

.....

.....

.....

১২.৩.১ পীতাম্বৰ কবি

মহাপুৰুষ শংকৰদেৱৰ সমসাময়িক অথচ তেৰাৰ প্ৰভাৱৰ বাহিৰত থকা কবিসকলৰ ভিতৰত পীতাম্বৰ কবি সৰ্বপ্ৰথম। এওঁৰ ব্যক্তিগত জীৱনৰ বিষয়ে বিশেষ জনা নাযায় যদিও পীতাম্বৰ যে কমতাপুৰবাসী আছিল আৰু কাব্যচৰ্চাৰ ক্ষেত্ৰত চিলাৰায় দেৱানৰপৰা সহায় লাভ কৰিছিল সেই বিষয়ে কাব্যসমূহত উল্লেখ আছে। পীতাম্বৰ কবিয়ে কেইবাখনো কাব্য ৰচনা কৰিছে— *ঊষা-পৰিণয়, ভাগৱত দশম স্কন্ধ, মাৰ্কণ্ডেয় চণ্ডী* আৰু *নল-দময়ন্তী*। এই কাব্যকেইখনৰ ভিতৰত কেৱল *ঊষা-পৰিণয়হে* প্ৰকাশ হৈ ওলাইছে আৰু অসমত উদ্ধাৰ হৈছে। বাকীকেইখন পুথিৰ প্ৰচলন অসমত বৰকৈ নোহোৱা বাবে আৰু সেইকেইখন পুথি কোচবিহাৰত থাকি যোৱাৰ কাৰণে বাঙালী সাহিত্যিকসকলে তেওঁলোকৰ বুলি দাবী কৰি বাংলা সাহিত্যৰ ভিতৰুৱা কৰি লৈছে। অৱশ্যে দুটা কথা খাটাং যে তেওঁ শংকৰদেৱৰ সমসাময়িক আছিল আৰু বিশ্বসিংহৰ পুত্ৰ সমৰসিংহ অৰ্থাৎ নৰনাৰায়ণ নৃপতিৰ ভাতৃ চিলাৰায়ৰ পৰা পৃষ্ঠপোষকতা লাভ কৰিছিল। তদুপৰি তেওঁৰ জন্মস্থান তথা বাসস্থান কোচৰাজ্যৰ ৰাজধানী কমতাপুৰ আছিল।

ঊষা-পৰিণয় পীতাম্বৰ কবিৰ প্ৰথম ৰচনা। গুৱাহাটীস্থিত বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ (অসম)ৰ পুথিভঁৰালত এই কাব্যখনৰ তিনিটাকৈ নকল সংৰক্ষিত হৈ আছে। কাব্যত ইয়াৰ ৰচনাকাল 'বাণ যুত বাণ বেদ শশাঙ্ক ' শক অৰ্থাৎ ১৪৫৫ শক বুলি উল্লেখ কৰা আছে। কাব্যখনিৰ মূল বিষয়বস্তু হৈছে শ্ৰীকৃষ্ণৰ নাতি অনিৰুদ্ধ আৰু শোণিতপুৰৰ ৰজা বাণৰ কন্যা ঊষাৰ প্ৰেম। প্ৰেমমূলক হোৱা বাবে কাব্যখনিত শৃংগাৰ ৰসৰ বৰ্ণনাই অধিক ঠাই আগুৰি আছে, সেই বাবে মহাপুৰুষ শংকৰদেৱে পীতাম্বৰক 'তামসিক কবি' বুলি আখ্যা দিছে। এই সাক্ষ্য মানি ল'লে আমি কবিজনাৰ কেইটিমান দিশ সম্পৰ্কে ধাৰণা কৰিব পাৰোঁ। প্ৰথমতে, ক'ব পাৰোঁ যে পীতাম্বৰ কবিৰ আদি ৰসাত্মক বৰ্ণনাৰ প্ৰতি দুৰ্বলতা আছিল। দ্বিতীয়তে, সেই সময়ছোৱাতে *ভাগৱতৰ* দশমস্কন্ধ অনুবাদৰ জৰিয়তে জনসাধাৰণৰ মাজত সুপৰিচিত হৈছিল। তৃতীয়তে, তেওঁ শংকৰদেৱৰ সমসাময়িক আছিল। এই কাব্যখনত ঊষা-অনিৰুদ্ধৰ উপৰি বাণাসুৰৰ কাৰ্যকলাপ, অহংকাৰ, পৰাক্ৰম, হৰিহৰৰ যুদ্ধ আদিৰ বৰ্ণনাত কবিৰ প্ৰতিভা প্ৰকাশ পাইছে।

মাৰ্কণ্ডেয় চণ্ডী পুথিখন বৰ্তমানলৈকে ছপা হোৱা নাই, কোচবেহাৰৰ উত্তৰবংগ ৰাজ্যিক পুথিভঁৰালত ইয়াৰে দুটি নকল সংৰক্ষিত হৈ আছে। তুলাপাতত লিখা এই নকলকেইটিৰ পৰা জানিব পাৰি যে যুৱৰাজ সমৰসিংহ (সংগ্ৰামসিংহ)ৰ আজ্ঞাক্ৰমে পীতাম্বৰ কবিয়ে *মাৰ্কণ্ডেয়-চণ্ডী* ৰচনা কৰে।

পীতাম্বৰ কবিৰ *ভাগৱতৰ দশমস্কন্ধ* পুথিখনৰ এটি নকল কোচবেহাৰৰ উত্তৰবংগ ৰাজ্যিক পুথিভঁৰালত সংৰক্ষিত হৈ আছে। এই অসম্পূৰ্ণ পুথিখনৰ বহু ফলক

নষ্ট হৈ চিনিব নোৱাৰা হৈছে আৰু ইয়াতে কবিয়ে যুৱৰাজ সমৰসিংহৰ পৃষ্ঠপোষকতাত এই পুথিখনি ৰচনা কৰিছিল বুলি উল্লেখ কৰিছে। পুথিখনত ইয়াৰ ৰচনাকাল সম্পৰ্কে কোনো কথা উল্লেখ নাই যদিও বিভিন্ন প্ৰমাণৰ ভিত্তিত ১৪৫৫ শক আৰু ১৪৬৮ শকৰ ভিতৰত এই পুথিখন ৰচনা কৰিছিল বুলি মত পোষণ কৰে।

পীতাম্বৰৰ ভণিতা থকা আনখন পুথি হ'ল *নল-দময়ন্তী*। এই পুথিখনেও বৰ্তমানলৈকে ছপাৰ মুখ দেখা নাই। ইয়াৰে এটা নকল গুৱাহাটী বিশ্ববিদ্যালয়ৰ পুৰণি পুথি সংৰক্ষণ বিভাগত সংৰক্ষিত হৈ আছে। তুলাপাতত লিখা এই পুথিখনৰ আৰম্ভণিৰে কেইখিলামান পাত নাই।

১২.৩.২ দুর্গাবৰ কায়স্থ

পাঁচালী কবিসকলৰ ভিতৰত দুর্গাবৰ অন্যতম। মহাকাব্যীয় আৰু মনসা-বিষহৰী এই দুয়োটা শ্ৰেণীৰে পাঁচালী পৰম্পৰাৰ কথাবৃত্তক লিখিত ৰূপ প্ৰদান কৰা দুর্গাবৰ কায়স্থৰ আত্মপৰিচয় বৰ বিশেষভাৱে পোৱা নাযায়। দুর্গাবৰৰ পিতৃৰ নাম আছিল চন্দ্ৰধৰ কায়স্থ। কামৰূপৰ নীলাচল অৰ্থাৎ কামাখ্যা পীঠত এওঁৰ বাসস্থান আছিল বুলি অনুমান কৰা হৈছে। এওঁ কোচ ৰজা বিশ্বসিংহৰ দিনৰ কবি। দুর্গাবৰে দুখন কাব্য ৰচনা কৰিছে— *গীতি-ৰামায়ণ* আৰু *বেউলা আখ্যান* বা *পদ্মাপুৰাণ* বা *পোএণৰ পাঁচালী* । এই দুয়োখন পুথিয়েই হাজো অঞ্চলৰ পৰা উদ্ধাৰ হোৱালৈ চাই কবিজনাৰ জন্মস্থান হাজো অঞ্চল আছিল বুলিয়েই *গীতি ৰামায়ণ*ৰ প্ৰথমগৰাকী সম্পাদক বিষয়চন্দ্ৰ বিশ্বাসীয়ে মত পোষণ কৰে। বিষয়বস্তু, ৰচনাশৈলী, সাংগীতিক বৈশিষ্ট্য আৰু ভাব-ভাষাৰ বৈশিষ্ট্যৰ ফালৰ পৰা *পদ্মাপুৰাণ*খন কবিৰ প্ৰথম আৰু *ৰামায়ণ*খন দ্বিতীয় ৰচনা বুলি ঠাৱৰ কৰা হৈছে।

মাধৱ কন্দলীৰ পাছৰ *ৰামায়ণ*ৰ কাহিনী লৈ কাব্য ৰচনা কৰোঁতাসকলৰ ভিতৰত দুর্গাবৰ অন্যতম। *গীতি-ৰামায়ণ*ৰ বিশেষত্ব হ'ল এইখন গীতৰ আৰ্হিত ৰচনা কৰিছে। গীতবোৰত অনুভূতিৰ কোমলতা আৰু মানসিক বিশ্লেষণ দক্ষতাৰ পৰিচয় পোৱা যায়। উল্লেখযোগ্য যে এই *ৰামায়ণ*খন পাঞ্চালী শৈলীত উপস্থাপন কৰা বাবে *'দুর্গাবৰৰ ৰামায়ণ'*, *'দুর্গাবৰী'*বা *'দুর্গাবৰী ৰামায়ণ'* ৰূপেহে পৰিচিত। পুথিখনৰ প্ৰথম সম্পাদক হাজোৰ বিষয়চন্দ্ৰ বিশ্বাসীয়ে (১৯১৫ খ্ৰীঃ)হে পুথিখনৰ নাম *গীতি ৰামায়ণ* বুলি নামকৰণ কৰিছিল। পৰৱৰ্তী কালৰ মহেশ্বৰ নেওগেও ১৯৫৪ত এই পুথিখন প্ৰথম সংস্কৰণৰ আধাৰত *দুর্গাৱৰী গীতি ৰামায়ণ* নামেৰে প্ৰকাশ কৰে। দুর্গাবৰৰ *ৰামায়ণ*খনত ৰাম অৱতাৰী পুৰুষ হ'লেও কাম-কাজ বা কাণ্ড-কাৰখানাবোৰ লক্ষ্য কৰিলে সাধাৰণ মানুহৰ চাৰিত্ৰিক বৈশিষ্ট্যহে ফুটি উঠে। সেইবাবেই হয়তো বাণীকান্ত কাকতিয়ে *গীতি ৰামায়ণ*ক লৌকিকতাৰ আৱেগ আৰু বাল্মীকি *ৰামায়ণ*ৰ 'গাঁৱলীয়া তাঙৰণ' বুলি

অভিহিত কৰিছে। এই কাব্যখনত ৰাগ-ৰাগিণীৰ প্ৰয়োগ এক উল্লেখনীয় বৈশিষ্ট্য। অহিৰ, আকাশমণ্ডলি, কম্বাৰ, গুঞ্জৰি, চালনি, দেৱজিনি, দেৱমোহন, ধনশ্ৰী, পটমঞ্জৰী, শ্ৰীগান্ধাৰ, ৰৰাৰি, বসন্ত, সুহাই, ভৈৰৱী, মাৰোৱাৰ, ভাঠিয়ালী, ৰামগিৰি আদি ৰাগ-ৰাগিণীৰ সুষম প্ৰয়োগ ঘটিছে। এক কথাত ক'ব পাৰি অসমীয়া ৰামায়ণী পৰম্পৰাত দুৰ্গাবৰৰ স্থান বৈশিষ্ট্যপূৰ্ণ।

দুৰ্গাবৰৰ আনখন কাব্য হৈছে *পদ্মাপুৰাণ*। প্ৰায় তেৰশ পদ বিশিষ্ট আৰু ১৫৫টা গীত সন্নিৱিষ্ট দুৰ্গাবৰৰ *পদ্মাপুৰাণ*খনত সৰ্পৰ অধিষ্ঠাত্ৰী দেৱী পদ্মাৰ মহিমা কীৰ্তন কৰা হৈছে। 'পদুমাইৰ দাস' দুৰ্গাবৰে প্ৰথমেই পদ্মাৰ চৰণ বন্দনা কৰি মনসা গীত ৰচনা কৰিছে। ইয়াৰ লগতে বিভিন্ন দেৱ-দেৱীকো প্ৰণিপাত জনাবলৈ পাহৰা নাই। চন্দ্ৰধৰ সাউদৰ লগত পদ্মাদেৱীৰ বিৰোধ, চন্দ্ৰধৰৰ ওপৰত পদ্মাৰ প্ৰতিশোধমূলক অত্যাচাৰ, বেউলা-লখীন্দাৰৰ বিবাহ, লখীন্দাৰৰ সৰ্পদংশনত মৃত্যু, পতিৰ প্ৰাণ বিচাৰি বেউলাৰ অনিশ্চিত যাত্ৰা, নেতাৰ সহায়ত স্বৰ্গত উপস্থিতি, লখীন্দাৰৰ প্ৰাণ লাভ, বেউলাৰ চম্পাৱতী নগৰলৈ প্ৰত্যাৱৰ্তন আৰু পদ্মাপূজা কৰিবলৈ শেষত চন্দ্ৰধৰৰ সম্মতিৰে কাব্যখনৰ সামৰণি পৰিছে। বেউলা-আখ্যানৰ কাহিনীভাগ কৰুণ। বিশেষকৈ সোণেকাৰ এটা এটাকৈ ছয়টা পুত্ৰৰ মৃত্যু, লখীন্দাৰৰ মৃত্যুত বেউলাৰ হৃদয় বিদাৰক শোক আদি ঘটনাই কাব্যখনি কৰুণ ৰসসিক্ত কৰি তুলিছে। আন আন চৰিত্ৰৰ ক্ষেত্ৰত বিশেষকৈ চন্দ্ৰধৰৰ দৃঢ়তা, পুৰুষত্ব, নিষ্ঠা আদি সফলভাৱে বৰ্ণনা কৰিছে। পদ্মাৰ প্ৰতিশোধপৰায়ণতাৰ বাবে তেওঁ দেৱীৰ পৰা সাধাৰণ মানুহৰ শাৰীলৈ নামি আহিছে।

এই কাব্যখনত কাহিনী বৰ্ণনা, চৰিত্ৰৰ সৃষ্টি আৰু তেওঁলোকৰ মানসিক স্থিতিৰ চিত্ৰণ, পৰিৱেশ ৰচনা আৰু উপস্থাপন শৈলীত দুৰ্গাবৰে নিজস্ব মৌলিক প্ৰতিভাৰ স্বাক্ষৰ দাঙি ধৰিছে। ঘৰুৱা চিত্ৰকল্পৰ প্ৰয়োগ, ভাষাৰ প্ৰয়োগ এই কাব্যৰ মূল বৈশিষ্ট্য। উল্লেখ্য যে দুৰ্গাবৰৰ শৃংগাৰ ৰস বৰ্ণনা বৰ সুৰুচিপূৰ্ণ, কৰুণ ৰসসিক্ত গীতসমূহ মৰ্মস্পৰ্শী আৰু কাব্যখনত সন্নিৱিষ্ট গীতসমূহত ৰাগ-ৰাগিণীৰ উল্লেখে কবিজনাৰ সংগীতৰ ক্ষেত্ৰত থকা পাৰদৰ্শিতাৰ কথা প্ৰমাণ কৰে। মূলতঃ ৰামগিৰি, সুহাই, ভাঠিয়ালী আৰু পটমঞ্জৰী ৰাগ-ৰাগিণীৰ প্ৰয়োগ এই কাব্যখনত অধিক।

১২.৩.৩ মনকৰ

মনসা শাখাৰ কবি মনকৰৰ বিষয়ে বিশেষ পৰিচয় পোৱা নাযায়। তেওঁৰ মাতৃৰ নাম আছিল কালিন্দী। কবিয়ে তেওঁৰ ৰচনাৰ এঠাইত উল্লেখ কৰিছে যে 'কমতাইৰ ৰাজা বন্দো ৰাজা জল্লেশ্বৰ।/একশত মহিষি বন্দো অঠাৰ কুমৰ।।' দুৰ্গাবৰ কায়স্থৰ *পদ্মাপুৰাণ*তো 'কমতা ঈশ্বৰ ৰাজা বন্দো বিশ্বসিংহ নৃপবৰ। আঠচল্লিশ মহিষী বন্দো অঠৰ কোঁৱৰ' বুলি উল্লেখ থকাৰ পৰা মহেশ্বৰ নেওগে মত পোষণ কৰে যে জল্লেশ্বৰ আৰু বিশ্বসিংহ একেজন

ৰজা। বিশ্বসিংহৰ ৰাণীৰ (মহিষীৰ) সংখ্যা লৈ এওঁলোক দুজনৰ মাজত তথা বিভিন্ন বুৰঞ্জীকাৰৰ মাজত অমিল আছে যদিও কোঁৱৰৰ সংখ্যা যে ওঠৰ সেয়া সৰ্বজন স্বীকৃত। এই কথাৰ পৰাই অনুমান কৰা হয় যে মনকৰ বিশ্বসিংহৰ আমোলৰে কবি।

মনকৰৰ একমাত্ৰ ৰচনা হৈছে *মনসা কাব্য* বা *মনকৰী*। অৱশ্যে কবিবৰে তেওঁৰ দ্বাৰা বিৰচিত মনসা কথা বৃত্তক 'পদুমাইৰ গীত', 'পাঞ্চালী' বা 'শ্ৰাবনেৰ গীত' বুলিহে আখ্যা দিছে। বৰ্তমানলৈকে *মনসা কাব্য* সম্পূৰ্ণ ৰূপে ছপা হৈ ওলোৱা নাই। সত্যেন্দ্ৰনাথ শৰ্মা আৰু বিৰিঞ্চি কুমাৰ বৰুৱাৰ সম্পাদনাত (প্ৰথম প্ৰকাশ, ১৯৫১) এটা খণ্ডহে ছপা হৈ ওলাইছে। ছপা হোৱা পুথিখনৰ আধাৰত ক'ব পৰা যায় যে সৰস্বতীৰ বন্দনাৰে আৰম্ভ হোৱা এই পুথিখন তিনিটা খণ্ডত ভাগ কৰি ৰচনা কৰা হৈছে। যথা— (১) সৃষ্টি খণ্ড, (২) হৰ-পাৰ্বতীৰ বিবাহ খণ্ড আৰু (৩) পদ্মাৰ জন্ম খণ্ড। প্ৰথম খণ্ডত ১৩টা, দ্বিতীয় খণ্ডত ৪৮টা আৰু তৃতীয় খণ্ডত ১৫টা গীত সন্নিৱিষ্ট হৈছে।

কাব্যখনিৰ মূল তিনিটা চৰিত্ৰ হ'ল— মহাদেৱ, নাৰদ আৰু দুৰ্গা। তিনিওটা চৰিত্ৰতে দেৱত্ব গুণতকৈ মানৱীয় কাৰ্যকলাপ আৰু কামনা-বাসনাহে অধিকভাৱে প্ৰকাশ পাইছে, সেইবাবে কাব্যখনিয়ে গাম্ভীৰ্য হেৰুৱাই পেলাইছে। মনকৰৰ কাব্যখনিত দুবিধ ৰসে প্ৰাধান্য লাভ কৰিছে — শৃংগাৰ আৰু হাস্য। এই দুবিধ ৰস পৰিৱেশন কৰোঁতে কবিয়ে ৰুচিহীন চিত্ৰও উৎসাহেৰে অঙ্কন কৰিছে। তেওঁ লৌকিকতাক অধিক গুৰুত্ব দিছিল বাবে কাব্যখনৰ চৰিত্ৰসমূহ দেৱসুলভ গাম্ভীৰ্য বা মহত্ত্বৰে উদ্ভাসিত নহয় বৰং মানৱীয় ঈৰ্ষা, দুৰ্বলতা, যৌন আৱেগেৰেহে পৰিচালিত। নাৰদৰ চৰিত্ৰটিও আমাৰ লোকসমাজৰ টেটোন চৰিত্ৰৰ দৰে, পদ্মাৰ চৰিত্ৰটি ভালদৰে ফুটি নুঠিল। বহু সময়ত কাব্যখনৰ শৃংগাৰ ৰসৰ বৰ্ণনাই শ্লীলতাৰ সীমা চেৰাই যোৱা যেন অনুভৱ হয়, হাস্য-ৰসো প্ৰায়ে স্থূল ৰূপত চিত্ৰিত হৈছে। উপমা অলংকাৰৰ দ্বাৰা মনকৰৰ ভাষা ভাৰাক্ৰান্ত নহয়, গীতবোৰৰ আৰম্ভণিতে ৰাগ-ৰাগিণীৰ উল্লেখ নাই যদিও দিহাৰ উল্লেখ আছে, লয়-তাল-মানযুক্ত সাংগীতিক গুণসম্পন্ন আৰু ভাষাও লোকজীৱনৰ পৰা আহৰিত। মনকৰ সম্ভৱতঃ সংগীতজ্ঞ বা গীতাল আছিল। সেইবাবে কাব্যখনিত শাস্ত্ৰীয় সুৰ তথা ৰাগৰ প্ৰয়োগ ঘটিছে। আনহাতে শাস্ত্ৰীয় আৰু লৌকিক আচাৰ পদ্ধতি সম্পৰ্কে তেওঁৰ যথেষ্ট জ্ঞান আৰু অভিজ্ঞতা থকাৰ প্ৰমাণ ৰচনাৰাজিয়ে দিয়ে।

১২.৩.৪ সুকবি নাৰায়ণদেৱ

সুকবি নাৰায়ণদেৱৰ জন্মস্থান সম্পৰ্কে বিভিন্ন মতবাদ পোৱা যায়। নাৰায়ণদেৱৰ *পদ্মাপুৰাণ*খনি বাংলা ভাষাতো প্ৰচলন থকা বাবে তেওঁলোকৰ মতে নাৰায়ণদেৱ মৈমনসিং জিলাৰ বোৰাগ্ৰামৰ মানুহ আছিল। জাতিত তেওঁ কায়স্থ আছিল আৰু পিতৃৰ নাম আছিল নৰসিংহ। কিন্তু নাৰায়ণদেৱৰ কাব্যৰ জনপ্ৰিয়তা, ভাষা, ৰীতি-

নীতি আদিলৈ লক্ষ্য কৰিলে তেওঁক নিঃসন্দেহে অসমৰ কবি বুলি ক'ব পাৰি। ভাৰতচন্দ্ৰ দাসৰ মতে— "সুকবি নাৰায়ণদেৱে শুৱালকুছিৰ ব্ৰাহ্মণ পৰিয়ালত জন্ম গ্ৰহণ কৰিছিল আৰু উক্ত পৰিয়ালত এতিয়াও নাৰায়ণদেৱৰ *পদ্মাপুৰাণ* সংৰক্ষিত হৈ আছে।" কোনো কোনোৰ মতে নাৰায়ণদেৱ দৰঙী ৰজা ধৰ্মনাৰায়ণৰ ৰাজত্বকালৰ কবি আছিল।

সুকবি নাৰায়ণদেৱৰ একমাত্ৰ ৰচনা হৈছে *পদ্মা-পুৰাণ*। *পদ্মা-পুৰাণ* এখন বৃহৎ গ্ৰন্থ। গীতপ্ৰধান এই বৃহৎ কলেবৰৰ কাব্যখনি কামৰূপ, দৰং আৰু গোৱালপাৰা অঞ্চলত সৰ্বাধিক জনপ্ৰিয়। জনসমাজত এই কাব্য 'সুকনান্নী' নামে জনাজাত। এই গ্ৰন্থখনিত সৃষ্টিপাতন, পদ্মাৰ উৎপত্তি, সমুদ্ৰমন্থন, দক্ষযজ্ঞ, সতীৰ দেহত্যাগ, শিৱ-পাৰ্ৱতীৰ বিবাহ, কাৰ্ত্তিকৰ জন্ম, তাৰকাসুৰ বধ, বিষহৰীৰ বিবাহ, আস্তিকৰ জন্ম, ধনন্তৰি বধ, নেতাৰ জন্ম, বিষহৰী কণা হোৱাৰ কাৰণ, চন্দ্ৰধৰৰ বৰ লাভ, শংখ ওজাৰ কাহিনী, চান্দোৰ বণিজ যাত্ৰা, বাণিজ্য পথত নানা বিপৰ্যয়, লখীন্দাৰৰ সৰ্পদংশনত মৃত্যু, বেউলাৰ অনিৰ্দিষ্ট যাত্ৰা, লখীন্দাৰৰ প্ৰাণলাভ, চন্দ্ৰধৰৰ পদ্মাপূজা আদি সৰু-বৰ অনেক ঘটনাৰ সমাবেশ ঘটিছে। মূল কাহিনীৰ লগত উপ-কাহিনীবোৰ সংযোগ হোৱা বাবে কাব্যখনিৰ আকৃতি বৃহৎ হৈ পৰিছে। *পদ্মাপুৰাণ*ত বিভিন্ন ৰসৰ সমাৱেশ ঘটিছে যদিও কৰুণ আৰু হাস্য-ৰসৰ প্ৰাধান্য বেছি। শৃংগাৰ ৰসৰ বৰ্ণনাত নাৰায়ণদেৱে অশ্লীল স্তৰলৈ গতি কৰিছে। পৰিস্থিতি বৰ্ণনাৰ ক্ষেত্ৰত সুকবিয়ে যথেষ্ট পাৰদৰ্শিতা দেখুৱাইছে। আনহাতে, পুৰণি অসমৰ সামাজিক আচাৰ-ব্যৱহাৰ, বেহা-বেপাৰ, সাজ-পাৰ, আ-অলংকাৰ, কুসংস্কাৰ-অন্ধবিশ্বাস আদিৰ বিস্তৃত বৰ্ণনা এই কাব্যখনিত প্ৰতিফলিত হৈছে।

মন কৰিবলগীয়া যে নাৰায়ণদেৱৰ *পদ্মাপুৰাণ*ৰ বিষয়বস্তুক সাধাৰণতে তলত দিয়া ধৰণে বিভাজন কৰি দেখুৱাব পাৰি বুলি নবীনচন্দ্ৰ শৰ্মাই মত পোষণ কৰে।

(ক) উজনি খণ্ড

(খ) ভাটীয়ালী খণ্ড

—ইয়াৰে উজনি খণ্ডত সৃষ্টিপাতনৰ পৰা আৰম্ভ কৰি চন্দ্ৰধৰৰ কাহিনী, বেউলা- লখীন্দাৰৰ বিবাহ আৰু উভয়কে মেৰঘৰত থোৱালৈকে বিস্তৃত। আনহাতে ভাটীয়ালী খণ্ডত লখীন্দাৰক বধ কৰিবলৈ উপায় বিচাৰি নাপাই পদ্মাৱতীয়ে নেতাৰ গলত ধৰি কন্দাৰ পৰা আৰম্ভ কৰি, লখিন্দৰক দংশন, বেউলাৰ অনিৰ্দিষ্ট যাত্ৰা আৰু পদ্মাৱতীয়ে তেওঁক জীয়াই তোলা তথা চন্দ্ৰধৰে মনসাক আনুষ্ঠানিকভাৱে পূজা দিয়া এই সকলোখিনিক সামৰা হৈছে।

*পদ্মাপুৰাণ*খন মহাকাব্য বা পুৰাণৰ দৰে বিভিন্ন উপ-কাহিনীৰে ভৰপূৰ আৰু গোটেইখন গীতৰ সমষ্টি। গোটেই পুৰাণখনৰ গীতবোৰত প্ৰায়বোৰ দিহাৰ লগত বিভিন্ন ৰাগ-ৰাগিণী বান্ধি দিয়া হৈছে। এই পুৰাণখনত ব্যৱহৃত ৰাগ-ৰাগিণীবোৰৰ ভিতৰত উল্লেখযোগ্য কেইটিমান হ'ল— শ্ৰী, ঝুলুনা, মল্লাৰ, ভৈৰৱী, পটমঞ্জৰী, ধনশ্ৰী, ভাঠিয়ালী, নাট, শ্ৰীবসন্ত, কৰুণা ভাটিয়ালী, কেদাৰ, পাহাৰী, কৰুণা, অহিৰ, বৰাৰি,

ৰামাগিৰি, পাসজ চই (চয়) আদি। উল্লেখযোগ্য যে এইখন পুৰাণত সন্নিৱিষ্ট প্ৰতিটো গীততেই পাঞ্চালী সংগীতৰ ৰীতি অনুসৰি দিহা সংযোজিত হৈছে। *পদ্মাপুৰাণ*খন মূলতঃ দেৱী মাহাত্ম্য প্ৰকাশৰ গ্ৰন্থ যদিও ইয়াত চৰিত্ৰ সৃষ্টিৰ ক্ষেত্ৰত কবিজনাই মনসাৰ উপৰি আন আন চৰিত্ৰ, যেনে— শিৱ মহাদেৱ, নাৰদ, চান্দো সদাগৰ, নেতা, সোণেকা, বেউলা আদি প্ৰতিটো চৰিত্ৰত সমানে গুৰুত্ব দিছে। অৱশ্যে ইয়াত চৰিত্ৰসমূহে বৈদিক বা পৌৰাণিক চৰিত্ৰৰ দৰে হৈ নাথাকি লৌকিক গ্ৰাম্য দেৱ-দেৱতাৰ ৰূপ পৰিগ্ৰহ কৰিছে। নাৰায়ণদেৱে দেৱী-মাহাত্ম্য প্ৰকাশকে মূল লক্ষ্য হিচাপে লৈছে যদিও কবিৰ আদৰ্শ বৈষ্ণৱ কবিসকলৰ দৰে আদৰ্শ প্ৰধান নহয়, অধিক গুৰুত্ব লৌকিকতাহে। অসমৰ সমাজ জীৱনৰ বিভিন্ন চিত্ৰই সবলভাৱে ভুমুকি মাৰিছে এই কাব্যখনত।

অগ্ৰগতি নিৰীক্ষণ



প্ৰশ্ন নং ২ ঃ শুদ্ধ নে অশুদ্ধ নিৰ্ণয় কৰক—

(ক) মনসা বা পাঁচালী সাহিত্যৰ প্ৰধান কবি ছজন।

(খ) মহাপুৰুষ শংকৰদেৱে পীতাম্বৰ কবিক 'তামসিক কবি' বুলি আখ্যা দিছিল।

(গ) *পদ্মাপুৰাণ* কাব্যখনত পুৰণি অসমৰ সামাজ জীৱনৰ চিত্ৰ ফুটি উঠিছে।

.....

প্ৰশ্ন নং ৩ ঃ পাঁচালী কবিসকলে ৰচনা কৰা সাহিত্যৰ প্ৰধান ভাগ দুটা কি কি?

.....

প্ৰশ্ন নং ৪ ঃ দুৰ্গাবৰৰ *বেউলা-আখ্যান*ৰ কাহিনীভাগৰ বিষয়ে চমুকৈ লিখক। (৫০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....



১২.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- নৱ-বৈষ্ণৱ যুগত আত্মপ্ৰকাশ কৰিলেও বৈষ্ণৱ সাহিত্যৰাজিৰ বিষয়বস্তু, ৰচনাশৈলী, ৰূপ,

গঠন আৰু আদর্শগত পার্থক্য বর্তাই ৰাখি এক শ্রেণীৰ সাহিত্য সৃষ্টি হৈছিল। সেই সাহিত্যৰাজিক পাঁচালী বা পাঞ্চালী বুলি অভিহিত কৰা হয়।

- বিভিন্ন সমালোচক, সমীক্ষক তথা সাহিত্যৰ ইতিহাসকাৰসকলে পাঁচালী বা পাঞ্চালী মানে কি সেই বিষয়ে আগবঢ়োৱা মতমতসমূহৰ বিষয়ে জ্ঞাত হোৱাৰ লগতে পাঁচালী যে এক ধৰণৰ ৰাগ-ৰাগিণীযুক্ত সাংগীতিক শৈলী আৰু ওজাপালি অনুষ্ঠানৰ অনুষংগত পৰিৱেশন কৰা হয় সেয়া জানিব পাৰিলে।
- অসমীয়া পাঁচালী কবিসকলৰ ভিতৰত উল্লেখযোগ্য পীতাম্বৰ দ্বিজ, মনকৰ, সুকবি নাৰায়ণদেৱ আৰু দুর্গাবৰৰ জীৱন আৰু কৃতিৰ বিষয়ে অধ্যয়ন কৰিলে।
- বৈষ্ণৱ আৰু মনসা এই দুয়োটি শাখাই অসমীয়া সাহিত্যক সমৃদ্ধিশালী কৰি তোলাত অৰিহণা যোগাইছে।



১২.৫ অধিক জানিবলৈ

১) গোস্বামী, যতীন্দ্রনাথ (১৯৯৪); *অসমীয়া সাহিত্যৰ চমু বুৰঞ্জী;* গুৱাহাটী ঃ মণি-মাণিক প্রকাশ।

২) নেওগ, মহেশ্বৰ (২০০০); *অসমীয়া সাহিত্যৰ ৰূপৰেখা*; গুৱাহাটী ঃ চন্দ্র প্রকাশ।

৩) বর্মন, শিৱনাথ (সম্পাঃ) (১৯৯৭); *অসমীয়া সাহিত্যৰ বুৰঞ্জী (দ্বিতীয় খণ্ড);* গুৱাহাটী ঃ আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা।

৪) শর্মা, নবীন চন্দ্র (১৯৯১); *অসমৰ ওজাপালি* ; যোৰহাট ঃ অসম সাহিত্য সভা।

৫) শর্মা, নবীন চন্দ্র (১৯৯৬); *অসমৰ পৰিৱেশ্য-কলা ঃ ওজাপালি*; গুৱাহাটী ঃ বাণী প্রকাশ।

৬) শর্মা, নবীন চন্দ্র (সম্পাঃ)(১৯৯৩);*পদ্মাপুৰাণ, 'ভাটীয়ালী খণ্ড'*; গুৱাহাটী ঃ বাণী প্রকাশ।

৭) শর্মা, নবীন চন্দ্র (২০০৯); *ভাৰতৰ উত্তৰ-পূর্বাঞ্চলৰ পৰিৱেশ্য কলা*; গুৱাহাটী ঃ বনলতা।

৮) শর্মা, সত্যেন্দ্রনাথ (২০০৬); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* গুৱাহাটী ঃ সৌমাৰ প্রকাশ।



১২.৬ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ শংকৰদেৱৰ সমসাময়িকভাৱে আত্মপ্রকাশ কৰা কেইবাজনো সাহিত্যিকে তেওঁলোকৰ ৰচনাৰাজিৰ মাজেদি বেলেগ এটা ভাবধাৰা অসমীয়া সাহিত্যলৈ সুমুৱাই

আনিছিল। বিশেষকৈ তেওঁলোকৰ সাহিত্যৰাজিৰ বিষয়বস্তু, ৰচনাশৈলী, ৰূপ, গঠন আৰু আদর্শগত পার্থক্য আছিল বৈষ্ণৱ সাহিত্যৰ লগত। সেই সাহিত্যৰাজিকে শংকৰী যুগৰ অবৈষ্ণৱ সাহিত্য বা পাঁচালী বা পাঞ্চালী সাহিত্য বুলি অভিহিত কৰা হৈছে।

২ নং প্রশ্নৰ উত্তৰ ঃ ক) অশুদ্ধ খ) শুদ্ধ গ) শুদ্ধ

৩ নং প্রশ্নৰ উত্তৰ ঃ পাঁচালী কবিসকলে ৰচনা কৰা সাহিত্যৰ প্রধান ভাগ দুটা হ'ল— (ক) মনসা বা পদ্মাদেৱীৰ মাহাত্ম্য প্রকাশক, আৰু (খ) *ৰামায়ণ, মহাভাৰত* আদিৰ কাহিনী সম্বলিত।

৪ নং প্রশ্নৰ উত্তৰ ঃ বেউলা-আখ্যানৰ কাহিনীভাগ *পদ্ম-পুৰাণ*ৰ অন্তর্গত। চন্দ্রধৰ সাউদৰ লগত পদ্মাদেৱীৰ বিৰোধ, চন্দ্রধৰৰ ওপৰত পদ্মাৰ প্রতিশোধমূলক অত্যাচাৰ, বেউলা-লখীন্দাৰৰ বিবাহ, লখীন্দাৰৰ সর্পদংশনত মৃত্যু, পতিৰ প্রাণ বিচাৰি বেউলাৰ অনিশ্চিত যাত্রা, নেতাৰ সহায়ত স্বর্গত উপস্থিতি, লখীন্দাৰৰ প্রাণ লাভ, বেউলাৰ চম্পাৱতী নগৰলৈ প্রত্যাৱর্তন আৰু পদ্মাপূজা কৰিবলৈ শেষত চন্দ্রধৰৰ সন্মতিৰে কাব্যখনৰ সামৰণি পৰিছে। বেউলা-আখ্যানৰ কাহিনীভাগ কৰুণ।



১২.৭ আৰ্হি প্রশ্ন

বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ ঃ পাঁচালী সাহিত্য মানে কি বুজে?

প্রশ্ন ২ ঃ পীতাম্বৰ কবিয়ে ৰচনা কৰা কাব্যখনিৰ নাম— *কীর্ত্তন/ঊষা- পৰিণয়/কুমৰ-হৰণ।*

চুটি প্রশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ চমুটোকা লিখক— (ক) *বেউলা-আখ্যান* (খ) *পদ্মাপুৰাণ* (গ) মনকৰ

প্রশ্ন ২ ঃ বাল্মীকি *ৰামায়ণ*ৰ 'গাঁৱলীয়া তাণ্ডৱণ' বুলি কোনে কোনখন পুথিক অভিহিত কৰিছে? চমুকৈ লিখক।

ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ পাঁচালী সাহিত্যৰ চমু আভাস দাঙি ধৰি ইয়াৰ উৎপত্তি সম্পর্কে থকা মতসমূহো বিচাৰ কৰক।

প্রশ্ন ২ ঃ শংকৰী যুগৰ মনসা বা পাঁচালী সাহিত্যৰ বিষয়ে এটি প্রবন্ধ যুগুত কৰক।

প্রশ্ন ৩ ঃ সুকবি নাৰায়ণদেৱৰ পৰিচয় দাঙি ধৰি তেওঁ ৰচনা কৰা কাব্যখনৰ বিষয়ে উদাহৰণসহ বহলাই আলোচনা কৰক।

*** ***** ***